হাবিত **বাঘৰপৰা** বৰ ভয় ইত্যাদি।

প্ৰথমা -এ বিভক্তিয়েও অপাদানৰ অৰ্থ প্ৰকাশ কৰে। যেনে, কথাটো লীনাৰ মুখে (মুখৰপৰা) গম পালোঁ।

অনুপদবোৰ নামপদৰ গাতে লাগি বহিব নে পৃথকে বহিব, এই লৈ খেলি-মেলি হোৱা দেখা যায়। ব্যাকৰণবোৰত এই সম্পৰ্কীয় কোনো নিৰ্দেশনা নাই। ফলত কোনোৱে নামপদৰ গাতে লগাই আৰু কোনোৱে পৃথকে অনুপদ ব্যৱহাৰ কৰে। অসমীয়া ব্যাকৰণ প্ৰবেশ'ত ড° গোলোকচন্দ্ৰ গোস্বামীদেৱে কৈছে, "**পৰা** যিহেতু এটা সুকীয়া অব্যয় পদ, সেইদেখি ইয়াক সম্বন্ধবাচক **-অৰ** বিভক্তিযুক্ত পদৰপৰা মাজত ফাঁক ৰাখি আঁতৰাই লিখিব লাগে।" এই দৃষ্টিভঙ্গীৰ পিনৰপৰা '**পৰা**' অনুপদ পৃথকে লেখাই যুগত। কিন্তু সুকীয়া হ'লেও **পৰা** অনুপদ **যদি** অব্যয়ৰ দৰে স্বতন্ত্ৰ নহয় ; ই আনুষঙ্গিক অব্যয়। এনেবোৰ অনুপদ সম্পৰ্কযুক্ত পূৰ্বপদৰ গাতে লগাই লিখাটোহে যুক্তিসঙ্গত। কিয়নো **পৰা, হেঁতেন, চোন, দেখোন, সৈতে, দ্বাৰা, দৰে, নিচিনা** আদি অনুপদে পূৰ্ব পদৰ সহায় নহ'লৈ অকলে অৰ্থ প্ৰকাশ কৰিব নোৱাৰে। সেইদৰে ভৱিষ্যত কৃদন্ত **কৰিবলগীয়া, যাবলগীয়া** আদিতো বদ্ধৰূপ লগীয়াটো '**কৰিব**'-ৰ লগত গাতে লগাই লিখাটো বাঞ্ছনীয়।

**অধিকৰণ কাৰক** ঃ 'স্থান, কাল আৰু পাত্ৰ যিহৰে আধাৰ বা আশ্ৰয়ত ক্ৰিয়া সম্পাদিত হয়', সিয়েই অধিকৰণ কাৰক। অধিকৰণ কাৰকত সপ্তমী -অত/-ত বিভক্তি যোগ হয়। যেনে,

**হাবিত** বাঘ থাকে।

সন্ধ্যা **সময়ত** শোৱা বেয়া।

তেওঁ বৰ **বিপদত** পৰিছে ইত্যাদি।

কেতিয়াবা প্ৰথমা -এ, -ই বিভক্তিৰদ্বাৰাও অধিকৰণ কাৰকৰ অৰ্থ প্ৰকাশ কৰা হয়। অধিকৰণ কাৰক বুজালে -এ, -ই বিভক্ত্যন্ত পদটো সদায় দ্বিত্ব হয় আৰু তেতিয়া ই 'প্ৰত্যেক' বা প্ৰতিটো অৰ্থ প্ৰকাশ কৰে। যেনে,

**ঘৰে ঘৰে** (প্ৰতিটো ঘৰত) বিচাৰিলোঁ।

**ফুলে ফুলে** (প্ৰতিপাহ ফুলত) পখিলা পৰিছে।

**হাতে হাতে** (প্ৰতিখন হাতত) পতাকা।

**কথাই কথাই** (প্ৰতিটো কথাত) তৰ্ক কৰে ইত্যাদি।

কালবাচক বিশেষ কিছুমান শব্দত অধিকৰণৰ -ত বিভক্তি যোগ নহয়। এনেবোৰ শব্দত অধিকৰণ বুজাবলৈ শূন্য বিভক্তি যোগ হোৱা বুলি কোৱা হয়। যেনে,

যোৱা **বছৰ** বতৰ বৰ খৰাং আছিল।

**ৰাতিপুৱা** সূৰ্য উদয় হয়।

এই বাক্য দুটাৰ **বছৰ** আৰু **ৰাতিপুৱা** শব্দত অধিকৰণৰ -ত উহ্য হৈ আছে। সেয়ে তাত শূন্য বিভক্তি যোগ হোৱা বুলি ধৰা হৈছে।

অৰ্থৰ ভিত্তিত অধিকৰণ কাৰকক কালাধিকৰণ আৰু আধাৰাধিকৰণত ভাগ কৰা হয় যদিও ওপৰত উল্লেখ কৰা দুই-এটা ব্যতিক্ৰমৰ বাহিৰে এই সকলো অধিকৰণতে সপ্তমী -অত/-ত যুক্ত হয়।

**বিনে** আৰু **বিনা** শব্দৰ যোগতো অধিকৰণৰ অৰ্থ প্ৰকাশ কৰা হয়। যেনে,

**ঈশ্বৰত বিনে** গতি নাই।

**বিনা ধনে** (অধিকৰণ বুজোৱা -এ) কাম নিসিজে। ❑